NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-04-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ অন্তত বাকী ৫ টা পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে।

২। কেন্দ্ৰীয় গৃহ মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে ভাৰত এন ডি এ চৰকাৰৰ তৃতীয় কাৰ্যকালত বিশ্বৰ শীৰ্ষৰ তিনিটা অৰ্থব্যৱস্থাৰ অন্যতমৰূপে পৰিগণিত হ'ব বুলি আস্থা প্ৰকাশ কৰিছে।

৩। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই দলটো শাসনলৈ আহিলে মহিলাসকলক ১ লাখ টকাৰ বিত্তীয় সাহায্যৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ চাকৰিত ৫০ শতাংশ সংৰক্ষণৰ প্ৰতিশ্ৰুতি দিছে।

৪। ভাৰতে চীনৰ চেংডুত অনুষ্ঠিত উবেৰ কাপ বেডমিণ্টন প্ৰতিযোগিতাত জয়েৰে অভিযান আৰম্ভ কৰিছে।

*আৰু*

৫। দেলহী কেপিটেলছে আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত মুম্বাই ইণ্ডিয়ান্‌ছক জয়ৰ বাবে ২৫৮ ৰানৰ লক্ষ্য বান্ধি দিছে।

০০০০০০০

লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ অন্তত বাকী ৫ টা পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। ঘাই ঘাই ৰাজনৈতিক দলৰ নেতৃবৰ্গই ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে দেশৰ বিভিন্ন প্ৰান্তত নিৰ্বাচনী সভা আৰু ৰোড শ্ব'ত ভাগ লোৱা পৰিলক্ষিত হৈছে। লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ত দেশৰ ১০ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৫ খন আসনৰ বাবে ৭ মে'ত ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ত এহেজাৰ ৩৫১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

কেন্দ্ৰীয় গৃহ মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে আজি গুজৰাটৰ পোৰবন্দৰত এখন নিৰ্বাচনী সভাক সম্বোধন কৰি ভাৰত এন ডি এ চৰকাৰৰ তৃতীয় কাৰ্যকালত বিশ্বৰ শীৰ্ষৰ তিনিটা অৰ্থব্যৱস্থাৰ অন্যতমৰূপে পৰিগণিত হ'ব বুলি আস্থা প্ৰকাশ কৰে। তেওঁ সংবিধানৰ ৩৭০ নম্বৰ অনুচ্ছেদ প্ৰত্যাহাৰৰ দৰে ঐতিহাসিক সিদ্ধান্ত, ৰাম মন্দিৰৰ নিৰ্মাণ, সন্ত্ৰাসবাদ আৰু নক্সালবাদৰ বিভীষিকা ৰোধ আৰু দেশলৈ শান্তি ঘূৰাই অনাৰ ক্ষেত্ৰত লাভ কৰা সফলতাৰ বাবে প্ৰধানমন্ত্ৰীক ভূয়সী প্ৰশংসা কৰে। শ্ৰী শ্বাহে তেওঁৰ ভাষণত ধ্ৰুৱীকৰণ নীতি আৰু ভোটবেংকৰ ৰাজনীতিৰ বাবে কংগ্ৰেছক তীব্ৰ সমালোচনা কৰে।

ইপিনে, বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি মহাৰাষ্ট্ৰৰ কোলহাপুৰত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। শ্ৰী মোদীয়ে কয় যে লোকসভা নিৰ্বাচনৰ প্ৰথম আৰু দ্বিতীয় পৰ্যায়ত হোৱা এক তৰফীয়া ভোটদানৰ পৰা কেন্দ্ৰত তৃতীয়বাৰৰ বাবে বিজেপি এন ডি এ চৰকাৰ ক্ষমতালৈ অহাটো নিশ্চিত হৈ পৰিছে। শ্ৰী মোদীয়ে আজি সন্ধিয়াৰ ভাগত গোৱাৰ ভাস্ক'ত প্ৰচাৰ চলোৱাৰ কথা আছে।

ইফালে, কংগ্ৰেছ দলৰ নেত্ৰী প্ৰিয়ংকা গান্ধী ভাদ্ৰাই আজি গুজৰাটৰ ৱলছাদ জিলাৰ ধৰমপুৰত এখন নিৰ্বাচনী সভাত অংশ লয়। তেওঁ কয় যে তেওঁৰ দল ক্ষমতালৈ আহিলে নগৰ অঞ্চলত ১০০ দিনৰ কামৰ নিশ্চয়তাৰ বাবে এম জি এনৰেগাৰ দৰে নিয়োগ নিশ্চিতকৰণ আঁচনি প্ৰৱৰ্তন কৰিব। কংগ্ৰেছ দলে জনজাতীয় লোকৰ বাবে বিশেষ পুঁজি আৱণ্টন কৰিব আৰু ইস্তাহাৰৰ প্ৰতিশ্ৰুতি অনুযায়ী দুখীয়া, কৃষক আৰু নিপীড়িতসকলৰ কল্যাণৰ হকে কাম কৰিব বুলি কংগ্ৰেছ নেত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰীমতী ভাদ্ৰাই মুদ্ৰাস্ফীতি আৰু কৰ্মসংস্থাপনহীনতাৰ দৰে গুৰুত্বপূৰ্ণ বিষয় লৈ শাসকীয় দলৰ সমালোচনা কৰে।

কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই আজি বৰপেটা জিলাৰ কয়াকুচিত কংগ্ৰেছৰ বৰপেটা আৰু কোকৰাঝাৰ সংসদীয় সমষ্টিৰ প্ৰাৰ্থী দ্বীপ বায়ন আৰু গৰ্জন মুছাহাৰীৰ সমৰ্থনত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। সভাত শ্ৰীখাৰ্গেয়ে দলটোৱে শাসনলৈ আহিলে মহিলাসকলক ১ লাখ টকাৰ বিত্তীয় সাহায্যৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ চাকৰিত ৫০ শতাংশ সংৰক্ষণৰ প্ৰতিশ্ৰুতি দিয়ে। ইয়াৰ লগতে কংগ্ৰেছ নেতাগৰাকীয়ে যুৱক-যুৱতীসকলৰ বাবে ১ লাখ টকাৰ শিক্ষাবৃত্তি আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। শাসনাধিস্থ বিজেপিক তীব্ৰ সমালোচনা কৰি শ্ৰীখাৰ্গেই কয় যে কংগ্ৰেছে প্ৰদান কৰা নিশ্চয়তা পূৰণ কৰে, কিন্তু বিজেপিয়ে অকল প্ৰতিশ্ৰুতি প্ৰদানহে কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যুৱক-যুৱতীসকলক বছৰি ২ কোটি চাকৰি প্ৰদান কৰা আৰু খেতিয়কসকলৰ আয় দুগুণলৈ বৃদ্ধি কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল যদিও তেওঁ সেই প্ৰতিশ্ৰুতি পূৰণত ব্যৰ্থ হৈছে। ইয়াৰ পূৰ্বে গুৱাহাটীত এখন সংবাদমেল সম্বোধন কৰি কংগ্ৰেছ নেতাগৰাকীয়ে কয় যে কংগ্ৰেছে দেশৰ গণতন্ত্ৰ আৰু সংবিধান ৰক্ষাৰ বাবে যুঁজ দিছে। সংবাদ মাধ্যমৰ মুখামুখি হৈ কংগ্ৰেছ নেতাজনে কয় যে, কংগ্ৰেছে ৫টা ন্যায় প্ৰদানৰ প্ৰতিশ্ৰুতি আৰু ২৫টা গেৰাণ্টি জনসাধাৰণক দিছে। তেওঁৰ দলে এই সকলো প্ৰতিশ্ৰুতি আৰু গেৰাণ্টি বাস্তৱায়িত কৰিব বুলি দাবী কৰি শ্ৰী খাৰ্গেয়ে প্ৰধানমন্ত্ৰী সমালোচনা কৰি কয় যে, বিগত ১০ বছৰত দিয়া প্ৰতিশ্ৰুতি ৰক্ষাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ব্যৰ্থ হৈছে। কংগ্ৰেছ সভাপতিগৰাকীয়ে কয় যে, কংগ্ৰেছে মুদ্ৰাস্ফিতী নিয়ন্ত্ৰণ, নিবনুৱা সমস্যা আৰু উন্নয়নৰ হকে সংগ্ৰাম কৰি আছে, কিন্তু বিজেপিয়ে এইবোৰ সমস্যালৈ পিঠি দি মেৰুকৰণ আৰু জনতাক বিভক্ত কৰাৰ ৰাজনীতি কৰিছে।

0000000

ৰাজ্যৰ ৫ টা সমষ্টিত কালি লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন হয়। শেহতীয়া তথ্য অনুসৰি ৰাজ্যখনত ৮১ দশমিক ১-৭ শতাংশ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰা বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। ইপিনে, ভোটগ্ৰহণ হোৱাৰ পাছত ই ভি এম সমূহ কটকটীয়া নিৰাপত্তাৰ মাজত ৩৮ টা ষ্ট্ৰং ৰুমত ৰখা হৈছে। ষ্ট্ৰং ৰুমসমূহত ৩ তৰপীয়া নিৰাপত্তা ব্যৱস্থা কৰাৰ লগতে চিচি কেমেৰাৰ দ্বাৰা অহৰহ নিৰীক্ষণত ৰখা হৈছে। উল্লেখযোগ্য যে, দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁও সমষ্টিত ৬১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াইছিল।

উল্লেখযোগ্য যে, কালি দৰং-ওদালগুৰি সমষ্টিত ৭৮ দশমিক ৪-১, ডিফুত প্ৰায় ৭৩ দশমিক ১-১, কৰিমগঞ্জত ৭৫ দশমিক ৬-৩, নগাঁৱত ৮০ দশমিক ৫-৬ আৰু শিলচৰত ৭৫ দশমিক ৯-৭ শতাংশ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰে। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত কৰিমগঞ্জত সৰ্বাধিক ২৪ গৰাকী, নগাঁৱত ১৩, দৰং-ওদালগুৰিত ১১, শিলচৰত ৮ আৰু ডিফুত ৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়।

000000

নিৰ্বাচন আয়োগে কংগ্ৰেছৰ তাৰকা প্ৰচাৰক তথা তেলেংগানাৰ মন্ত্ৰী কণ্ডা সুৰেখাক ভাৰত ৰাষ্ট্ৰীয় সমিতি আৰু ইয়াৰ কাৰ্যকৰী সভাপতি কে টি ৰমা ৰাওৰ বিৰুদ্ধে সত্যতা বিচাৰ নকৰাকৈ অভিযোগ অনাৰ বাবে ভৎ ৰ্সনা কৰিছে। আয়োগে এটা নিৰ্দেশত কৈছে যে এই সন্দৰ্ভত বি আৰ এছৰ মুখপাত্ৰ কে প্ৰভাকৰৰ পৰা চলিত মাহৰ প্ৰথম ভাগত

অভিযোগ লাভ কৰিছিল। ইয়াৰ পাছতে আয়োগে তেলেংগানাৰ মুখ্য নিৰ্বাচনী বিষয়াৰ পৰা এই সন্দৰ্ভত বিচৰা প্ৰতিবেদনত সুৰেখাৰ বিৰুদ্ধে নিৰ্বাচনী প্ৰচাৰৰ সময়ত সত্যতা বিচাৰ নকৰাকৈ অভিযোগ আনি নিৰ্বাচনী আচৰণ বিধি ভংগ কৰিছিল বুলি প্ৰমাণিৰ হয়। আয়োগে নেত্ৰীগৰাকীক ৰাজহুৱা সভাত ভাষণ প্ৰদান কৰাৰ সময়ত নিৰ্বাচনী আচৰণ বিধি পুনৰ ভংগ নকৰিবলৈ সজোৰে সকীয়াই দিছে।

০০০০০০০

ভাৰতে চীনৰ চেংডুত অনুষ্ঠিত উবেৰ কাপ বেডমিণ্টন প্ৰতিযোগিতাত জয়েৰে অভিযান আৰম্ভ কৰিছে। ভাৰতে আজি প্ৰতিযোগিতাৰ গ্ৰুপ এ'ৰ খেলত কানাডাক ৪-১ ফলাফলত পৰাভূত কৰে। অস্মিতা চলিহাই বিশ্বৰ ৫৩ নম্বৰ স্থানৰ মিছেল লীক ২৬-২৪, ২৪-২২ গেমত পৰাজিত কৰে। ইয়াৰ পাছত প্ৰিয়া কংজেংবাম আৰু শ্ৰুতি মিশ্ৰৰ যুটীটোৱে কেটৰিন চয় আৰু জেছলিন শ্ব'ৰ বিৰুদ্ধে ২১-১২ আৰু ২১-১০ গেমত জয়লাভ কৰে। একেদৰে ঈষাৰাণী বৰুৱাই ৰেন ইউ ঝাঙক মাত্ৰ ২৯ মিনিটত ২১-১৩, ২১-১২ গেমত পৰাজিত কৰি ভাৰতক অপ্ৰতিৰোধ্য অগ্ৰগতি প্ৰদান কৰে। কানাডাৰ জেকি ডেণ্ট আৰু ক্ৰিষ্টল লাইৰ যুটীটোৱে চিমৰন সিংঘি আৰু ঋতিকা থাকেৰৰ যুটীটোক ২১-১৯, ২১-১৫ গেমত পৰাভূত কৰি দেশৰ হকে প্ৰথমটো পইণ্ট অৰ্জন কৰে। ইয়াৰ পাছতে ভাৰতৰ অনমোল খাৰবে এলিয়ানা ঝাঙক ২১-১৫, ২১-১১ গেমত পৰাস্ত কৰে। ইফালে, ভাৰতৰ পুৰুষ দলটো সম্প্ৰতি থমাছ কাপ বেডমিণ্টন প্ৰতিযোগিতাৰ গ্ৰুপ চি-ত থাইলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। ভাৰত ২-১ ফলাফলত আগবাঢ়ি আছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত আজিৰ প্ৰথমখন খেলত দেলহী কেপিটেলছে মুম্বাই ইণ্ডিয়ানছক জয়ৰ বাবে ২৫৮ ৰানৰ লক্ষ্য বান্ধি দিছে। প্ৰত্যুত্তৰত মুম্বাই ইণ্ডিয়ানছে আমালৈ বাতৰি অহাৰ পৰলৈকে ১৫ অ'ভাৰত ৫ টা উইকেট হেৰুৱাই ১৭৩ ৰান সংগ্ৰহ কৰিছে। ইয়াৰ পূৰ্বে দেলহী কেপিটেলছে প্ৰথমে বেট ধৰি ৪টা উইকেটৰ বিনিময়ত ২৫৭ ৰান কৰে। ইপিনে, কিছু সময়ৰ পাছত লক্ষ্ণৌৰ একানা ষ্টেডিয়ামত হ'বলগীয়া প্ৰতিযোগিতাৰ আন এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষত থকা ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে খেলিব।

০০০০০০০

ভাৰতে চাংঘাইত চলি থকা আৰ্চাৰী বিশ্বকাপ প্ৰতিযোগিতাৰ কমপাউণ্ড শাখাৰ দলীয় শিতানৰ তিনিওটা স্বৰ্ণ পদক হস্তগত কৰিছে। জ্যোতি সুৰেখা ভেন্নম, অদিতি গোপীচান্দ স্বামী আৰু প্ৰণিত কৌৰক লৈ গঠিত মহিলা দলটোৱে আজি ফাইনেলত প্ৰতিযোগিতাৰ যষ্ঠ বাছনিপ্ৰাপ্ত ইটালীক ২৩৬-২২৫ ফলাফলত পৰাস্ত কৰে। ইয়াকে ধৰি প্ৰতিযোগিতাখনত ভাৰতে তৃতীয়টো স্বৰ্ণ পদক অৰ্জন কৰিলে। জ্যোতি সুৰেখা ভেন্নম আৰু অভিষেক বাৰ্মাৰ যুটীটোৱে মিক্সড শাখাত এষ্ট'নিয়াক ১৫৮-১৫৭ ত পৰাস্ত কৰি স্বৰ্ণ পদক অৰ্জন কৰে। আনহাতে, অভিষেক বাৰ্মা, প্ৰিয়াংশ আৰু প্ৰথমেশ ফুগেক লৈ গঠিত ভাৰতৰ পুৰুষ দলটোৱে ফাইনেলত নেডাৰলেণ্ডছৰ দলটোক ২৩৮-২৩১ ফলাফলত পৰাভূত কৰি সোণৰ পদক লাভ কৰে। একেদৰে জ্যোতি সুৰেখা ভেন্নম অভিষেক বাৰ্মাই মিক্সড শাখাৰ দলীয় শিতানত এষ্টনিয়াৰ প্ৰতিদ্বন্দ্বীক ১৫৮-১৫৭ ফলাফলত পৰাভূত কৰি স্বৰ্ণ পদক অৰ্জন কৰে।

০০০০

সমাপ্ত